**প্ৰকাশ কাৰাটক সমন্বয়কৰ দায়িত্ব**

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰঃ** প্ৰবীণ চিপিআইএম নেতা তথা দলটোৰ কেন্দ্ৰীয় সমন্বয়ক সীতাৰাম ২ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, SEPTEMBER 30, 2024 ■ সোমবাৰ।। ১৩ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৮ Guwahati, Assam ।। মূল্যঃ এটকা

**বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন**

## আজি বহিব 'আছু'ৰ বিশেষ জৰুৰী সভা

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** ৩০ ছেপ্টেম্বৰত জৰুৰীভাৱে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰিব সদৌ অসম ছাত্ৰ সন্থাই। সেইদিনা গুৱাহাটীত পুৱা ১০.৫৫ বজাৰ পৰা কাৰ্যনিৰ্বাহ সভা আৰু দুপৰীয়া আঢ়ৈ বজাৰ শেষাংশ ২ পৃষ্ঠাত

## ভাষণৰত অৱস্থাতে হঠাৎ অসুস্থ খাৰ্গে

**শ্ৰীনগৰ, ২৯ ছেপ্টেম্বৰঃ** জম্মুত দেওবাৰে ভাষণ দি থকা অৱস্থাতে মূৰ্চ্ছা গৈ ঢলি পৰে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুৰব্বীগৰাকী ভাষণৰত অৱস্থাত মূৰ্চ্ছা গৈ মঞ্চত শেষাংশ ২ পৃষ্ঠাত

**ছেমি-কনডাক্টৰ প্ৰসংগ**

## অপপ্ৰচাৰ বন্ধ কৰক! বিজেপিক ক'লে জাকিৰে

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে আজি বিধায়ক আবাসত এখন সংবাদমেল সম্বোধন কৰি শাসকীয় বিজেপি চৰকাৰ আৰু দলে ছেমি- শেষাংশ ৪ পৃষ্ঠাত

## অসমীয়া ভাষা নচলিব! সুস্মিতা দেৱৰ আপত্তি

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** কেৱল অসমীয়া ভাষা ব্যৱহাৰ কৰাটো নচলিব। এই হুংকাৰ দিছে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে। আজি সামাজিক মাধ্যমত এটা শেষাংশ ৪ পৃষ্ঠাত



গুৱাহাটী প্ৰেছ ক্লাৱত ডিকেবি ফেক্টে আগবঢ়োৱা 'স্বাধীন কণ্ঠ' শীৰ্ষক বঁটা গ্ৰহণ কৰিছে সাংবাদিক ললিত গগৈয়ে, দেওবাৰে

## ■ ডিজিটেল ইণ্ডিয়াৰ ডিজিটেল অসমত নিযুক্তি পৰীক্ষা মানেই ইণ্টাৰনেট কৰ্তন!

# ৪ হাজাৰক দিব চাকৰি, ১ কোটিক দিলে 'নেটশাস্তি'

**দুটা দেওবাৰত ৰাজ্যত ১৪০ কোটিৰ লোকচান**

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** এডিআৰইৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাক লৈ দেওবাৰৰ দিনটোত ৰাজ্যৰ সৰ্বত্ৰে পৰীক্ষা কেন্দ্ৰসমূহৰ আশে-পাশে ভীষণ ব্যস্ততা অব্যাহত থকাৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ ডিজিটেল ইণ্ডিয়াৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ 'ডিজিটেল অসম'ত বিৰাজ কৰিছিল একপ্ৰকাৰ মৰিশালিৰ নিস্তব্ধতাই। পৰীক্ষাত যাতে কোনোধৰণৰ খেলিমেলি সংঘটিত নহয় তাৰবাবেই ৰাজ্য চৰকাৰে শেষাংশ ৩ পৃষ্ঠাত

## উপ-জিলা অতীত হ'ল! মুখ্যমন্ত্ৰীৰ নতুন চমক সম-জিলা

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** উপ-জিলা নহয়, এইবাৰ হিমন্ত বিশ্ব শৰ্মাৰ নতুন চমক সম-জিলা। কেতিয়াবা নতুনকৈ গঠিত জিলা ভংগ কৰা হয়। কেতিয়াবা পুনৰবাৰ ভংগ হোৱা জিলাক আকৌ জিলা ঘোষণা কৰা হয়। অসমত কেতিয়াবা যদি নতুন জিলা গঠন আৰু ভংগ কৰাৰ শেষাংশ ৩ পৃষ্ঠাত

**দুটাকৈ শুদ্ধ উত্তৰ!**

## এডিআৰইৰ পৰীক্ষাত বিশেষ প্ৰশ্ন বিভ্ৰাট

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** অসমৰ সাহিত্য-সংস্কৃতিৰ পুৰোধা ব্যক্তিসকলৰ বিষয়ে জ্ঞান নাই এডিআৰই প্ৰশ্নকাকত তৈয়াৰ কৰাসকলৰ। শেষাংশ ২ পৃষ্ঠাত

# এডিআৰই পৰীক্ষাত বিশেষ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

সাহিত্য-সংস্কৃতিৰ পুৰোধাসকলৰ বিষয়ে এডিআৰই পৰীক্ষাৰ বাবে অ'এমআৰ প্ৰস্তুত কৰা জ্ঞানীসকলৰ জ্ঞান শূন্য। এই অভিযোগ সামাজিক মাধ্যমত উত্থাপন হৈছে। আজি অনুষ্ঠিত হৈ যোৱা এডিআৰইৰ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ্থীৰ অ'এমআৰত অহা এটা প্ৰশ্নক লৈ কৌতুহলৰ সৃষ্টি হৈছে। কিয়নো অসমৰ প্ৰথিতযশা সাহিত্যিকক লৈ ভুল ব্যাখ্যা কৰা হৈছে। অসমৰ কোনগৰাকী স্বনামধন্য সাহিত্যকে জ্ঞানপীঠ সন্মান লাভ কৰা নাছিল তাক লৈ এটা প্ৰশ্ন আহিছিল। উত্তৰত বিকল্প আছিল চাৰিটা। বীৰেন্দ্ৰ নাথ দত্ত, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্য আৰু মামণি ৰয়ছম গোস্বামী। উত্তৰত আছিল জ্ঞানপীঠ সন্মান লাভ নকৰা দুগৰাকী সাহিত্যিক। কিন্তু প্ৰশ্ন কৰা হৈছিল কোনগৰাকীয়ে পোৱা নাছিল। বীৰেন্দ্ৰ নাথ দত্ত, হীৰেন ভট্টাচাৰ্যই জ্ঞানপীঠ বঁটা পোৱা নাছিল। তাকে লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছে। যদি কোনো পৰীক্ষাৰ্থীয়ে বীৰেন্দ্ৰ নাথ দত্তই পোৱা নাই বুলি উত্তৰ দিয়ে সেয়াও শুদ্ধ। যদি কোনো পৰীক্ষাৰ্থীয়ে হীৰেন ভট্টাচাৰ্যই পোৱা নাছিল বুলি উল্লেখ কৰিছিল সেয়াও শুদ্ধ। এতিয়া প্ৰশ্ন হৈছে। শুদ্ধ উত্তৰ লিখা পৰীক্ষাৰ্থীক শুদ্ধ উত্তৰৰ বিনিয়মত নম্বৰ দিয়া হ'ব নে নাই। ভুল উত্তৰ সন্নিৱিষ্ট কৰি কাকত প্ৰস্তুত কৰাসকলৰ বিৰুদ্ধে ব্যৱস্থা কৰিব নে চৰকাৰে। উল্লেখ্য যে, অসমৰ তিনিগৰাকীকৈ বৰেণ্য কবি-সাহিত্যিকে জ্ঞানপীঠ বঁটা লাভ কৰিছে। গল্পকাৰ, ঔপন্যাসিক, কবি, নিবন্ধকাৰ আৰু সাংবাদিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই অসমত প্ৰথমে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। তেখেতক ১৯৭৯ চনত ‘মৃত্যুঞ্জয়’ উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা দিয়া হৈছিল। জ্ঞানপীঠ লাভ কৰা অসমৰ দ্বিতীয়গৰাকী সাহিত্যিক হৈছে ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী। ২০০০ চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল মামণি ৰয়চম গোস্বামীয়ে। জ্ঞানপীঠ বিজয়ী তৃতীয়গৰাকী সাহিত্যিক হৈছে গোলাপী জামুৰ লগ্নৰ কবি নীলমণি ফুকন। ইণ্টাৰনেট কৰ্তন কৰি নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে এতিয়া প্ৰশ্ন আৰু উত্তৰ বিভ্ৰান্তিক লৈয়ো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজিৰ পৰীক্ষাত আনহাতে এগৰাকী চালকক লৈয়ো আন এটা প্ৰশ্ন কৰা হৈছে। প্ৰথমে সামজিক মাধ্যমত পিছলৈ কিতাপ আকাৰে প্ৰকাশিত হোৱা ‘লাইফ অৱ এ ড্ৰাইভাৰ, কেবিনৰ ইপাৰে’ কিতাপখন লিখা ব্যক্তিজন কোন? তাত প্ৰতিভূ দত্ত, ৰূপম দত্ত, দেৱব্ৰত দাস, ৰামনুজ গোস্বামী বুলি চাৰিটা বিকল্প দিয়া হৈছে। পৰীক্ষাত কাৰ্টুন চৰিত্ৰ ডৰেম'ন, নদীদ্বীপ উমানন্দ আদিক লৈয়ো সোধা হৈছে বিভিন্ন প্ৰশ্ন।

# আজি বহিব ‘আছু’ৰ বিশেষ

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। এই সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সকলো সদস্যক উপস্থিত থাকিবলৈ কোৱা হৈছে। আনহাতে প্ৰতিনিধি সভাত জিলা ছাত্ৰ সন্থা, মহকুমা ছাত্ৰ সন্থা, বিশ্ববিদ্যালয় গোটৰ সভাপতি-সাধাৰণ সম্পাদক, উপদেষ্টাক উপস্থিত থাকিবলৈ কোৱা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ উদ্দেশ্যে হৈছে অসম চুক্তিৰ ছয় নং দফা। অসম চুক্তিৰ ছয় নং দফাক লৈ গঠিত বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে আগবঢ়োৱা ৬৭টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ আগবাঢ়িছে ৰাজ্য চৰকাৰ। ইতিমধ্যে ২৫ ছেপ্টেম্বৰত অসম চৰকাৰ আৰু আছুৰ প্ৰতিনিধিৰ প্ৰথমলানি বৈঠক অনুষ্ঠিত হয়। অসম চুক্তিৰ ছয় নং দফাৰ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শ সন্দৰ্ভত ভৱিষ্যত কাৰ্যপন্থা গ্ৰহণ কৰিব সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কেইজনমান প্ৰতিনিধিয়ে বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে তৈয়াৰ কৰা প্ৰতিবেদনক লৈ চৰকাৰৰ সৈতে বৈঠক অনুষ্ঠিত কৰি সিদ্ধান্ত গ্ৰহণ কৰিব খোজা নাই। জিলা সমিতিকে ধৰি বিভিন্ন সমিতিৰ পৰামৰ্শৰ ভিত্তিত তৈয়াৰ মাষ্টাৰ প্লেনৰ ভিত্তিত চৰকাৰৰ সৈতে বৈঠকত বহি আলোচনা কৰিব খুজিছে সদৌ অসম ছাত্ৰ সন্থাই। আছু আৰু ৰাজ্য চৰকাৰৰ বৈঠকৰ পাছতে কেবাগৰাকী আইনজ্ঞ, প্ৰাক্তন আছু নেতাই বৈঠক কেন্দ্ৰীয় চৰকাৰৰ সৈতেহে অনুষ্ঠিত হ'ব লাগিছিল বুলি মত প্ৰকাশ কৰিছিল। কিয়নো কেন্দ্ৰীয় চৰকাৰেহে বিপ্লৱ কুমাৰ শৰ্মা সমিতি গঠন কৰিছিল। লগতে কেন্দ্ৰীয় চৰকাৰে প্ৰতিবেদনৰ ৰাজনৈতিক, ভূমিনীতি, সংৰক্ষণ সন্দৰ্ভত পৰামৰ্শ গ্ৰহণ কৰিবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰেহে কৰিব পাৰিব বুলি বিভিন্ন পক্ষই মতামত দিছিল। ‘কা’ আন্দোলনৰ পাছৰে পৰা আছুক লৈ মানুহে সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছে। সময়ে সময়ে প্ৰাক্তন আছুৰ নেতাই বৰ্তমানৰ আছুৰ নেতৃত্বৰ দুৰ্বল ভূমিকাক সমালোচনা কৰি আহিছে। আনহে নালাগে ২৫ ছেপ্টেম্বৰত আছুৱে চৰকাৰৰ সৈতে বৈঠক কৰি অহাৰ পাছতে সংগঠনটোৰ প্ৰাক্তন সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে গৃহীত নকৰাকৈ কেনেকৈ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিব বুলি মতামত প্ৰদান কৰিছে।

# ভাষণৰত অৱস্থাতে হঠাৎ

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

ঢলি পৰাত হাহাকাৰ লাগে। ভাষণ দি থকাৰ সময়তে খাৰ্গেৰ কণ্ঠস্বৰ মন্থৰ হৈছিল। কেইমিনিটমানৰ বাবে ভাষণ বন্ধ কৰি আৰাম কৰিবলগীয়া হয়। কিছু সময়ৰ পিছত পুনৰ ভাষণ আৰম্ভ কৰি পুনৰ বিশ্ৰাম লয়। অৱশেষত ২ মিনিটৰ ভাষণ দি মঞ্চ ত্যাগ কৰে। ২ মিনিটৰ ভাষণৰ সময়তে উদাত্ত কণ্ঠে খাৰ্গেয়ে কয় যে মোৰ বয়স ৮৩ বছৰ। মই এতিয়াই নমৰো। মই মোদীক ক্ষমতাৰ পৰা আঁতৰ নকৰালৈ জীয়াই থাকিম। মই আপোনালোকৰ মনৰ কথা শুনিম। মই জম্মু আৰু কাশ্মীৰৰ বাবে পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ কথা কৈয়ে থাকিম। প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপিক প্ৰশ্ন সুধি খাৰ্গেয়ে কয় যে বিজেপি আৰু মোদীৰ হাতত সম্পূৰ্ণ ক্ষমতা আছে। কিন্তু এতিয়ালৈকে জম্মু-কাশ্মীৰক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা দিয়া হোৱা নাই কিয়? জম্মু-কাশ্মীৰৰ বাবে কংগ্ৰেছৰ ইস্তাহাৰৰ কথা উল্লেখ কৰি খাৰ্গে কয় যে আমি ৰাজ্যখনৰ বাবে সাতটা প্ৰতিশ্ৰুতি দিছো। আমাৰ প্ৰথম প্ৰতিশ্ৰুতি হৈছে যে জম্মু আৰু কাশ্মীৰলৈ পূৰ্ণ ৰাজ্যৰ মৰ্যাদা পুনৰুদ্ধাৰ কৰা। ভাষণত মল্লিকাৰ্জুন খাৰ্গে আৰু কয় যে কেন্দ্ৰীয় চৰকাৰে কেতিয়াও নিৰ্বাচন অনুষ্ঠিত কৰিব বিচৰা নাছিল। তেওঁলোকে বিচাৰিলে প্ৰথম অৱস্থাতে এবছৰ বা দুবছৰৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিলেহেঁতেন। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত তেওঁলোকে নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল। কিন্তু তেওঁলোকে লেফটেনেণ্ট গভৰ্ণৰৰ জৰিয়তে ৰিম'টেৰে চলোৱা চৰকাৰ চলাব বিচাৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১০ বছৰত ভাৰতৰ যুৱসকলক একো দিয়া নাই। আপুনি এনে এজন ব্যক্তিক বিশ্বাস কৰিব পাৰিব নে? যিয়ে ১০ বছৰত আপোনালোকৰ সমৃদ্ধি ঘূৰাই আনিব নোৱাৰিলে? যদি কোনো বিজেপি নেতা আপোনালোকৰ সন্মুখলৈ আহে তেওঁ সোধক সমৃদ্ধি আনিব পাৰিছে নে নাই। ইপিনে জম্মুৰ পৰা খাৰ্গেক ততাতৈয়াকৈ দিল্লীলৈ অনা হয়। দিল্লীত চিকিৎসকৰ পৰামৰ্শ লোৱা বুলি জানিব পৰা গৈছে। ৰাজ্যৰসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি খাৰ্গেৰ স্বাস্থ্যক লৈ চিন্তা ব্যক্ত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফোন কৰি স্বাস্থ্যৰ বুজ লোৱা বুলি জানিব পৰা গৈছে।

# প্ৰকাশ কাৰাটক সমন্বয়কৰ

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

য়েচুৰীৰ মৃত্যুৰ পাছতে বামপন্থী দলটোক কোনে নেতৃত্ব দিব তাকে লৈ চৰ্চা অব্যাহত আছে। তাৰ মাজতে দলটোৰ অন্তৰ্বৰ্তীকালীন কেন্দ্ৰীয় সমন্বয়ক নিয়োগ কৰা হৈছে। চি পি আইএমৰ কেন্দ্ৰীয় সমিতিয়ে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈ প্ৰকাশ কাৰাটক পলিটব্যুৰ' আৰু কেন্দ্ৰীয় কমিটিৰ সমন্বয়ৰ দায়িত্ব প্ৰদান কৰিছে। এতিয়াৰে পৰা অস্থায়ীভাৱে পলিটব্যুৰ' আৰু কেন্দ্ৰীয় কমিটিৰ সমন্বয় হিচাপে দায়িত্ব পালন কৰিব প্ৰকাশ কাৰাট। ২০২৫ চনৰ এপ্ৰিল মাহত তামিলনাডুত ২৪ সংখ্যক পাৰ্টি বৃহৎ কংগ্ৰেছ অনুষ্ঠিত হ'ব। সেই সময়লৈ প্ৰকাশ কাৰাটে দলটোৰ সমন্বয়কৰ দায়িত্ব পালন কৰিব। উল্লেখ্য যে প্ৰথম অৱস্থাত এই দায়িত্ব বৃন্দা কাৰাটে পাব বুলি চৰ্চা চলিছিল। উল্লেখ্য যে প্ৰকাশ কাৰাট ইয়াৰ পূৰ্বে তিনিবাৰকৈ দলৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিল। সেই অভিজ্ঞতাৰ বাবে তেওঁক এই দায়িত্ব প্ৰদান কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ হাজাৰক দিব চাকৰি, ১ কোটিক

মোবাইল নেটৱৰ্ক প্ৰদানকাৰী সংস্থাসমূহক ১৫ ছেপ্টেম্বৰৰ দৰেই এইবাৰো মোবাইল ইণ্টাৰনেট কৰ্তন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। এই নিৰ্দেশ অনুযায়ী আজি পুৱা ৮.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ সম্পূৰ্ণ ৮ ঘণ্টা অসম একপ্ৰকাৰ ইণ্টাৰনেটবিহীন হৈ পৰে। উল্লেখ্য যে ভয়াৱহ নিবনুৱা সমস্যাই গ্ৰাস কৰা ৰাজ্যখনত আজি ৪১৮টা চালক পদৰ বাবে হোৱা পৰীক্ষাত অৱতীৰ্ণ হৈছে ২,০৪,০৯১ জন প্ৰাৰ্থী। একেদৰে ৪০৫৫টা স্নাতক পৰ্যায়ৰ চাকৰিৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হয় ৫,২৯,৯৮৯ জন প্ৰাৰ্থীয়ে। পৰিসংখ্যা অনুযায়ী অসমত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা হৈছে প্ৰায় ১ কোটি ২০ লাখ। ইয়াৰে প্ৰায় ৯৮ শতাংশই হৈছে মোবাইল ইণ্টাৰনেট ব্যৱহাৰকাৰী। মোবাইল ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ অধিকাংশ লোকেই ডিজিটেল ইণ্ডিয়াৰ ফলস্বৰূপে দৈনন্দিন জীৱনত বিভিন্নধৰণে ইণ্টাৰনেট নিৰ্ভৰ হৈ পৰিছে। দেওবাৰৰ দিনটো চৰকাৰী চাকৰিয়ালসকলৰ বাবে বন্ধৰ দিন হ'লেও ইণ্টাৰনেট নিৰ্ভৰ জীৱিকাৰ সৈতে জড়িত লোকৰ বাবেই সেই দিনটোও হৈছে কামৰ দিন। বিশেষকৈ গুৱাহাটীকে ধৰি ৰাজ্যৰ গ্ৰামাঞ্চললৈ সম্প্ৰসাৰিত হৈ পৰা মোবাইল এপ নিৰ্ভৰ কামত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ আছে লাখ লাখ যুৱক-যুৱতী। কেৱল গুৱাহাটী মহানগৰীতে অলা, উবেৰ, ৰেপিডো, জমেটো, ছুইগি আদিৰ সৈতে জড়িত হৈ আছে অতিকমেও ৩০ হাজাৰ লোক। এমাজন, ফ্লিপকাৰ্ট তথা আন বিভিন্ন ই-কমাৰ্চ ৱেবছাইটৰ ডেলিভাৰীৰ সৈতে জড়িত হৈ আছে ৫০০০ লোক। সমগ্ৰ ৰাজ্যখনলৈ চালে মোবাইল এপ নিৰ্ভৰ জীৱিকাৰ সৈতে প্ৰত্যক্ষভাৱে ১ লাখৰো অধিক লোক জড়িত হৈ আছে। পৰোক্ষভাৱে মোবাইল এপ তথা ইণ্টাৰনেট নিৰ্ভৰ জীৱিকাৰ সৈতে জড়িত হৈ আছে অসমৰ প্ৰায় ৫ লাখ লোক। দেওবাৰ মানেই এইলোকসকলৰ বাবে বন্ধৰ দিন নহয়। বৰং দেওবাৰৰ দিনটোত এনে লোকসকলৰ কামৰ পৰিমাণ তথা উপাৰ্জনৰ পৰিমাণো বৃদ্ধিহে পায়। আনহাতে ইণ্টাৰনেট নিৰ্ভৰ ব্যৱসায়ৰ সৈতেও জড়িত হৈ আছে ৰাজ্যখনৰ লাখ লাখ ব্যৱসায়ী। এনে ব্যৱসায়ীসকলৰ বাবেও দেওবাৰৰ দিনটো চৰকাৰী চাকৰিয়ালৰ দৰে বন্ধৰ বাৰ নহয়। মোবাইল ইণ্টাৰনেটৰ ব্যৱহাৰকাৰীসকলৰ ওপৰতেই এইসকল ব্যৱসায়ীৰ ব্যৱসায় নিৰ্ভৰ কৰে। ইণ্টাৰনেট নিৰ্ভৰ জীৱিকাৰ সৈতে জড়িতসকলৰ ১০ শতাংশই আজিৰ পৰীক্ষাত অৱতীৰ্ণ হৈছে বুলি ধৰিলেও ৯০ শতাংশই গোটেই দিনটো ইণ্টাৰনেট বন্ধ হৈ পৰাত ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনাই অধিক। একেদৰে জীৱন-জীৱিকাৰ সৈতে প্ৰত্যক্ষভাৱে মোবাইল ইণ্টাৰনেট নিৰ্ভৰ নহ'লেও সাধাৰণ লোকসকলৰো অধিকাংশই দিন-বাৰ ব্যতিৰেকে বিভিন্ন গুৰুত্বপূৰ্ণ কাম মোবাইল ইণ্টাৰনেটৰ জৰিয়তেই কৰি আহিছে। কিন্তু মাত্ৰ ৪৪৭৩ জনক চৰকাৰী সংস্থাপন দিয়াৰ নামত ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যতে সাধাৰণ লোকসকলৰ সুবিধা-অসুবিধালৈ নাচাই ইণ্টাৰনেট কৰ্তন কৰাত এতিয়া প্ৰায় প্ৰতিটো পযেকতে দেওবাৰে বৃহৎ লোকচানৰ সন্মুখীন হ'বলগীয়াত পৰিছে। দুয়োটা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৭লাখ লোকৰ বাবে হাৰাশাস্তিৰ সন্মুখীন হৈছে প্ৰায় ১ কোটিৰো অধিক মোবাইল ইণ্টাৰনেট ব্যৱহাকাৰী। প্ৰায় ১৫ দিন পূৰ্বে হোৱা পৰীক্ষাতো এনেদৰে দুৰ্ভোগ ভুগিবলগীয়া হৈছিল মোবাইল ইণ্টাৰনেট নিৰ্ভৰ এইসকল লোক। ইফালে, ডিজিটেল ইণ্ডিয়াত ছপা নোটৰ পৰিৱৰ্তে দেশৰ আন প্ৰান্তৰ দৰে অসমতো ইউপিআই লেনদেন বৃদ্ধি পাইছে। নগৰাঞ্চল বাদেই, ভিতৰুৱা গ্ৰামাঞ্চলতো ইউপিআই লেনদেন দ্ৰুতগতিত বৃদ্ধি পাইছে। নেশ্যনেল পেমেণ্ট কৰ্পৰেশ্যন অব ইণ্ডিয়া চমুকৈ এনপিচিআইৰ তথ্য অনুযায়ী ভাৰতত প্ৰতিমাহে ২০ লাখ কোটি টকাৰ আশে-পাশে ইউপিআই লেনদেন হয়। দৈনিক দেশখনত হোৱা ইউপিআই লেনদেনৰ পৰিমাণ হৈছে প্ৰায় ৭০০০ কোটি। দেশৰ সৰ্বাধিক ইউপিআই লেনদেন হোৱা ৰাজ্যসমূহৰ তালিকাত অসমৰ স্থান হৈছে পঞ্চম। সেই হিচাপত ভাৰতত এদিনত ৭০ কোটি টকাৰ আশে-পাশে ইউপিআই লেনদেন হৈ আহিছে। কিন্তু আজি মাত্ৰ ৪ হাজাৰ লোকক চাকৰি দিয়াৰ নামত চৰকাৰে ইণ্টাৰনেট কৰ্তন কৰাত লাখ লাখ লোকৰ দৈনন্দিন জীৱনক প্ৰভাৱান্বিত কৰাৰ লগতে প্ৰায় ৭০ কোটি টকাৰ আৰ্থিক ক্ষতিৰ সন্মুখীন হৈছে অসম। উল্লেখ্য যে আজিৰ পৰা দুই-তিনি বছৰ আগলৈকে কোনো দল-সংগঠনে বিভিন্ন দাবীৰ সমৰ্থনত অসম বন্ধৰ আহ্বান দিলে বন্ধৰ ফলত ৰাজ্যখনত হোৱা আৰ্থিক ক্ষতিৰ কথা উল্লেখ কৰি তেনে সংগঠনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ কথা চৰকাৰে কৈ আহিছিল। এই যুক্তিতে ন্যায়ালয়েও তেনে সংগঠনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈতো নিৰ্দেশ দিছিল। কিন্তু মাত্ৰ ৪ হাজাৰ লোকক চৰকাৰী চাকৰি দিয়াৰ নামত ইণ্টাৰনেট কৰ্তন কৰি লাখ লাখ লোকক সমস্যাত পেলোৱা তথা ৭০ কোটিৰো অধিক আৰ্থিক ক্ষতি হ'বলৈ দিয়া চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তৰ বাবে কোনো দল-সংগঠনে আদালতৰ দ্বাৰস্থ নোহোৱা বিষয়টোৱেও যথেষ্ট তাৎপৰ্য বহন কৰিছে। বিশেষকৈ অসমৰ অনুৰূপধৰণে নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰি ঝাৰখণ্ড চৰকাৰে ৰাজ্যখনত ইণ্টাৰনেট কৰ্তনৰ নিৰ্দেশ দিছিল। ইয়াৰ পিছতে অসমৰ মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ডে অসমক কপি কৰিছে বুলি মন্তব্য কৰিছিল। কিন্তু একাংশ সচেতন লোকে তেনে সিদ্ধান্তৰ বিৰোধিতাৰে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত ন্যায়ালয়ে চৰকাৰক ককৰ্থনা কৰে তেনে সিদ্ধান্ত পৰিহাৰৰ নিৰ্দেশ দিয়ে। ইণ্টাৰনেট কৰ্তনৰ সিদ্ধান্তক অসমৰ পৰা কপি কৰা বুলি কোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কিন্তু এই পৰ্যন্ত ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে পৰীক্ষাৰ নামত ইণ্টাৰনেট কৰ্তন কৰিব নোৱাৰিব বুলি নিৰ্দেশক লৈ কোনো মন্তব্য কৰা পৰিলক্ষিত হোৱা নাই। এনেদৰে এতিয়া ১৫ ছেপ্টেম্বৰ আৰু ২৯ ছেপ্টেম্বৰ অৰ্থাৎ এমাহতে দুবাৰকৈ ইণ্টাৰনেট কৰ্তন কৰি কোটি কোটি লোকক সমস্যাত পেলোৱাৰ লগতে ৰাজ্যখনক ১৪০ কোটিৰো অধিক আৰ্থিক ক্ষতিৰ সন্মুখীন হ'বলৈ এৰি দিছে হিমন্ত বিশ্ব চৰকাৰে। অনাগত নিযুক্তি পৰীক্ষাসমূহতো যদিহে এনেদৰেই ৮ ঘণ্টাকৈ ইণ্টাৰনেট কৰ্তন কৰে তেন্তে ৰাজ্যখনৰ আৰ্থিক ক্ষতিৰ লগতে ডিজিটেল অসমৰ সাধাৰণ লোকসকল বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হোৱাতো নিশ্চিত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উপ-জিলা অতীত হ'ল!

চৰ্চা চলে, কেতিয়াবা আকৌ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা উপ-জিলাক লৈ চৰ্চা চলে। উপ-জিলা গঠনৰ চৰ্চা তল পৰাৰ পাছতে পূজাৰ এই বতৰত এইবাৰ চৰ্চালৈ আহিছে সম-জিলা। অসমত মুঠতে জিলা গঠনৰ চৰ্চা কেতিয়াও সমাপ্ত নহয়। জিলা চৰ্চাৰ মাজতে 'ফেচবুক লাইভ'ত হঠাতে সম-জিলাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। জিলা আৰু মহকুমা দাবী কৰাসকলক কৌশলেৰে নিশ্চুপ কৰিবলৈ সমষ্টি ভিত্তিত সম-জিলা প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ পিছত শাৰদীয় বতৰত ৪ আৰু ৫ অক্টোবৰত ইয়াৰ আৰম্ভণি কৰিব হিমন্ত বিশ্ব শৰ্মাই। জিলাসমূহৰ প্ৰশাসনিক দিশ সঠিকৰূপত পৰিচালিত কৰাৰ স্বাৰ্থত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হঠাতে কৰা এই নতুন ঘোষণাই প্ৰশাসনৰ সৈতে জড়িত লোকসকলকো হতবাক কৰি তুলিছে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমৰ প্ৰত্যেকটো বিধানসভা সমষ্টিতে সম-জিলা গঠন কৰা হ'ব। অহা ৪ আৰু ৫ অক্টোবৰত প্ৰথমে অসমৰ ৩৯টা বিধানসভা সমষ্টিত সম-জিলা প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দ্বিতীয় পৰ্যায়ত বাকী থকা জিলাসমূহত সম-জিলা ঘোষণা কৰা হ'ব। জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নোযোৱাকৈয়ে সম-জিলাতে বহু কাম সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰিছে। বিভিন্ন কাম সম-জিলাত সম্পন্ন কৰাৰ ব্যৱস্থা কৰিব ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰি কয় যে সম-জিলাই ৰাইজক প্ৰশাসনৰ কাষলৈ নিব। সম-জিলাৰ চিন্তা ভাৰতত প্ৰথমবাৰৰ বাবে অসমতে কৰা হৈছে বুলিও ক্ৰেডিট লয় মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে, আজি সম-জিলা নামৰ নতুন শব্দ ব্যৱহাৰ কৰাত একাংশ লোকৰ আউল লাগিছে। কিয়নো পূৰ্বে মুখ্যমন্ত্ৰীয়ে উপ-জিলা গঠনৰ কথা ঘোষণা কৰিছিল। কিন্তু এইবাৰ সম-জিলা বুলি কোৱা হৈছে। সম-জিলা আৰু উপ-জিলা একেই নেকি আৰু ইয়াৰ ইংৰাজী প্ৰতিশব্দ ছাব-ডিষ্ট্ৰিক্ট হ'ব নে আন কিবা হ'ব সেই কথা চৰকাৰে এইপৰ্যন্ত স্পষ্ট কৰা নাই। সেয়া হ'লেও মুখ্যমন্ত্ৰীৰ সমৰ্থকসকলে এই নতুন সিদ্ধান্তক আদৰণি জনোৱা দেখা গৈছে। বিপৰীতে বিৰোধী দলৰ সমৰ্থক তথা মুখ্যমন্ত্ৰীৰ সমালোচকসকলে ছ'চিয়েল মিডিয়াত এয়া মুখ্যমন্ত্ৰীগৰাকীৰ চমকৰ বাদে আন একো নহয় বুলি মন্তব্য কৰিছে। উল্লেখ্য যে সময়ে সময়ে মুখ্যমন্ত্ৰীগৰাকীয়ে এনেধৰণৰ চমক সৃষ্টিকাৰী ঘোষণাৰে প্ৰশাসনকো বিপাঙত পেলাই আহিছে।

# কটকটীয়া নিৰাপত্তাৰ মাজেৰে এডিআৰইৰ তৃতীয় বৰ্গৰ পদৰ পৰীক্ষা সম্পন্ন

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** দুই এক সৰু-সুৰা খামখেয়ালিৰ বাহিৰে বিশেষ অভিযোগ উত্থাপন নোহোৱাকৈ আজি এডিআৰইৰ তৃতীয় বৰ্গৰ পদৰ স্নাতক পৰ্যায়ৰ পৰীক্ষা সম্পন্ন হয়। আজি পুৱা ৮.৩০ৰ পৰা বিয়লি ৪.৩০ বজালৈ ইন্টাৰনেট সেৱা কৰ্তন কৰি ৰাজ্য চৰকাৰে তৃতীয় বৰ্গৰ পদৰ স্নাতক পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত কৰে ৰাজ্য চৰকাৰে। দুয়োবেলা নিযুক্তি পৰীক্ষা থকাৰ ফলত প্ৰায় ৯ ঘণ্টা সময় ইন্টাৰনেট সেৱা ব্যাহত কৰা হয়। সমগ্ৰ ৰাজ্যজুৰি ইন্টাৰসেৱা সেৱা ব্যাহত কৰি প্ৰায় ৭ লাখ পৰীক্ষাৰ্থীক পৰীক্ষা হল'ত বহাৰ ব্যৱস্থা কৰে চৰকাৰে। আবেলি ৪ বজাত পৰীক্ষা সম্পন্ন হয়। প্ৰথমে পুৱা ৯ বজাৰ অনুষ্ঠিত পৰীক্ষা ১২ বজাত সম্পন্ন হয়। তাৰ পাছতে ১.৩০ বজাৰ পৰা অনুষ্ঠিত পৰীক্ষা ৪.৩০ বজাত সম্পন্ন হয়। ২৭ খন জিলাৰ ৮২২টা কেন্দ্ৰত অনুষ্ঠিত হয় পৰীক্ষা। স্নাতক ৪,০৫৫ আৰু ৪১৭টা চালকৰ পদৰ বাবে ৰাজ্যৰ মুঠ ৭,৩৪০৮০ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহে। ইয়াৰে স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ্থী হৈছে ৫,২৯,৯৮৯ গৰাকী আৰু চালক পদৰ প্ৰাৰ্থী ২,০৪০৯১ গৰাকী। জানিব পৰা মতে, ৰাজ্যৰ সকলো কেন্দ্ৰতে বিশেষ নিৰাপত্তা ব্যৱস্থা কৰা হয়। অসম আৰক্ষীৰ লগতে অৰ্ধসামৰিক বাহিনী নিয়োগ কৰা পৰিলক্ষিত হয়। কেন্দ্ৰৰ পৰা কমেও ৫০০ মিটাৰ নিলগলৈ সকলো প্ৰকাৰৰ লোকৰ প্ৰৱেশ নিষিদ্ধ কৰে। পৰীক্ষাৰ্থীসকল পুৱাই একঘণ্টাৰ পূৰ্বেই পৰীক্ষা হল'ৰ বাহিৰত উপস্থিত হয়। তাৰ পাছতে শাৰী শাৰীকৈ থিয় হৈ তালাচীৰ সন্মুখীন হয়। সমানে পূৰ্বৰ দৰেই কঠোৰ তালাচী কৰা হয়। পূৰ্বে মহিলা প্ৰাৰ্থীক তালাচী কৰাৰ ব্যৱস্থাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। আজি মহিলাৰ ক্ষেত্ৰত কিছু শিথিল কৰা হয় যদিও পুৰুষ পৰীক্ষাৰ্থীক কঠোৰভাৱে তালাচী কৰা হয়। কেন্দ্ৰৰ ভিতৰলৈ মোবাইল, বেগ, পানীৰ বটল, ঘড়ী আদি নিবলৈ দিয়া হোৱা নাই। চিচিটিভিৰ ব্যৱস্থা কৰা হৈছে। চিচিটিভি নথকা কেন্দ্ৰত ভিডিঅ'গ্ৰাফাৰৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাত পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এইন লোকৰ প্ৰৱেশত বাধা নিষেধ কৰা হৈছে। ৰাজ্য চৰকাৰে গৃহ বিভাগে ইন্টাৰ সেৱা ব্যাহত কৰাৰ লগতে কেইবাটাও বিষয়ত কঠোৰ নিৰ্দেশনা দিয়াৰ অন্তত পৰীক্ষা অনুষ্ঠিত হয়। নিযুক্তি পৰীক্ষাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত যান-জঁট দেখা যায়। বহু সৰু-বৰ চহৰত তিবনি-চাৰি ঘণ্টা পৰ্যন্ত যান-জঁট লগা দেখা যায়। পৰীক্ষাৰ্থীৰ লগতে অভিভাৱকে পৰীক্ষা কেন্দ্ৰৰ পৰা দূৰত ভিৰ কৰাৰ লগতে প্ৰায় পৰীক্ষাৰ্থীয়ে দূৰ-দূৰণিৰ পৰা গাড়ী লৈ অহাত যান-জঁট হয়। গুৱাহাটী মহানগৰীতো পুৱাৰে পৰা অভাৱনীয় ভিৰ দেখা যায়। অসম চৰকাৰৰ গৃহ বিভাগে ঘোষণা কৰা অনুসৰি পুৱা ৮.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ ইন্টাৰনেট সেৱা বন্ধ থাকে। ইপিনে প্ৰশ্নকাকত ফাদিল ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰে কেৱল ইন্টাৰনেট সেৱাই বন্ধ কৰা নাই। ৰাজ্য চৰকাৰে ইতিমধ্যে অসম বিধানসভাত আইন গৃহীত কৰিছে। অসম লোক পৰীক্ষা আইন-২০২৪ ৰূপায়ণ কৰি নিযুক্তি পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা ব্যক্তিয়ে ৩-১০ বছৰ পৰ্যন্ত কাৰাদণ্ড, ১ লাখ টকাৰ পৰা ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱধান ৰাখিছে। ইপিনে নিযুক্তি পৰীক্ষাৰ বাবে একাংশ লোকক মাধমাৰ শোধোৱা হৈছে। দেওবাৰৰ দিনটো ব্যৱসায়ৰ দিন। কিন্তু ইন্টাৰনেট সেৱা ব্যাহত কৰি ৰাজ্যখনৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰা হয়। ব্যৱসায়-বাণিজ্য ব্যাহত হোৱা পৰিলক্ষিত হয়। কাৰ্ফিউ সদৃশ পৰিস্থিতিত ৰাজ্যজুৰি ইন্টাৰনেট সেৱা বন্ধ হোৱাত উজনিৰ পৰা নামনিলৈ ভিন্ন প্ৰান্তত এক প্ৰকাৰ ডিজিটেলভাৱে স্তব্ধ হৈ পৰে সমগ্ৰ অসম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## অপপ্ৰচাৰ বন্ধ কৰক! বিজেপিক

কনডাক্টৰ প্ৰকল্পক লৈ কংগ্ৰেছ নেতা প্ৰিয়াংক খাৰ্গেৰ মন্তব্যক ভুল ব্যাখ্যা কৰাৰ অভিযোগ আনে। মূল বিষয়বস্তুৰ পৰা অসমৰ ৰাইজৰ ধ্যান আঁতৰাবলৈ বিজেপিয়ে ছেমিকণ্ডাক্টৰ প্ৰকল্প সন্দৰ্ভত প্ৰিয়াংক খাৰ্গেৰ মন্তব্যক লৈ ভুলকৈ প্ৰচাৰ কৰা বুলি কয়। জাকিৰ হুছেইন শিকদাৰে কয় যে অসমত বিজেপি দলে ২০১৪, ২০১৯ আৰু ২০২৪ লোকসভা নিৰ্বাচন, ২০১৬, ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পাৰিছে নে নাই? এই প্ৰশ্ন ৰাইজে সুধিবলৈ আৰম্ভ কৰিছে। প্ৰতিশ্ৰুতি ৰক্ষাত বিফল হোৱাত বিজেপিয়ে প্ৰতিদিনে পুৱা উঠি নিৰ্বাচনৰ পূৰ্বৰ ইস্তাহাৰ উলিয়াই কি কি কৰিলে কি কি কৰিব লাগিব তাৰ কথা আলোচনা কৰক। অসমৰ ৰাইজে তাকেহে আলোচনা হোৱাতো বিচাৰিছে। মুখ্যমন্ত্ৰী আৰু বিজেপিৰ নেতাসকলে প্ৰতিশ্ৰুতি মতে কি কি কৰিলে সেই কথা মিডিয়া আৰু ছ'চিয়েল মিডিয়াত কৈ যাওক। কিন্তু মুখ্য বিষয়ৰ পৰা অসমৰ ৰাইজক আঁতৰাই ৰাখিবলৈ কিছুমান ৰণকৌশল ৰচনা কৰি আহিছে বিজেপিয়ে। ৰণকৌশল মতে, নিখিল ভাৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি খাৰ্গেৰ পুত্ৰক আক্ৰমণ কৰিছে। জাকিৰ হুছেইন শিকদাৰে ৰাজীৱ ভৱন আক্ৰমণ কৰিবলৈ যোৱাৰ অভিযোগ আনি কয় যে কেৱল খাৰ্গেকে টাৰ্গেট কৰি ক্ষান্ত হৈ থকা নাই বিজেপি। কংগ্ৰেছৰ ৰাজ্যিক কাৰ্যালয় ৰাজীৱ ভৱনো আক্ৰমণ কৰিবলৈ গৈছিল বিজেপিয়ে। যেতিয়াই শাসক পক্ষই বিৰোধী দলক আক্ৰমণ কৰিবলৈ যায় তেতিয়াই গণতন্ত্ৰ দুৰ্বল হৈ পৰে। শিকদাৰে এই কথাক নিন্দা-গৰিহণা দিয়ে। শিকদাৰে কয়, “অসমৰ ৰাইজে বেয়া পাইছে। ৰাজীৱ ভৱন আক্ৰমণ কৰিলে কৃষক, নিবনুৱা, ৰাস্তা-ঘাটৰ অৱস্থা ভাল নহয়। বানৰ সমস্যা সমাধান নহয়। ৰাজীৱ ভৱন আক্ৰমণ কৰিলে ভাতৃবোধৰ এনাজাৰীডাল টনকিয়াল নহয়। বৰাক, জাগীৰোডৰ কাগজ কল কিয় বন্ধ হ'ল? বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰা হ'ল কিয়? কথা মতে কাম কৰক। নহ'লে ২০২৬ চনত পোনপটীয়াকৈ উত্তৰ দিব অসম ৰাইজে। বিজেপিক বিদায় দি কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰিবলৈ সিদ্ধান্ত লৈছে ৰাইজে।” উল্লেখ্য যে প্ৰিয়াংক খাৰ্গেই ছেমি-কনডাক্টৰ প্ৰসংগত টুইটাৰযোগে কৰা এক মন্তব্যক লৈ বিজেপিয়ে কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## অসমীয়া ভাষা নচলিব! সুস্মিতা

ভিডিঅ' শ্বেয়াৰ কৰি সাংসদ সুস্মিতা দেৱে কেৱল অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ দিয়াত তীব্ৰ আপত্তি দৰ্শাইছে। তেওঁ কয় যে এই এই দেশ বহুভাষিক। কামৰূপ মহানগৰ জিলাত কেৱল অসমীয়া ভাষাত বেনাৰ, হৰ্ডিং, ফ্লেক্স আদি ব্যৱহাৰ কৰাৰ নিৰ্দেশ প্ৰকৃততে এক সংবিধান বিৰোধী কাৰ্য। ভাষা আৰু সাংস্কৃতিক আক্ৰমণৰ জৰিয়তে দুৰ্গা পূজাৰ দৰে ৰাজহুৱা উৎসৱ ধ্বংস কৰাৰ এই প্ৰচেষ্টাৰ মই বিৰোধিতা কৰিছো। সুস্মিতা দেৱে কয় যে গুৱাহাটীত আহি গম পাইছো যে কামৰূপ মহানগৰৰ উপায়ুক্তই পূজা সমিতিসমূহত এখন এছঅ'পি দিছে ২৬ ছেপ্টেম্বৰত। তাত উল্লেখ আছে যি পূজা সমিতিয়ে কোনো শুভেচ্ছা বা আন বেনাৰ লগাবলগীয়া হ'লে অসমীয়াত লিখি লগাব লাগিব। কিন্তু কথাটো হৈছে ভাষাক লৈ আইন। আমি চৰকাৰী কামত অসমীয়া থকাতো আৰু বৰাকত বাংলা থকাতো মানি লৈছো। কিন্তু দুৰ্গা পূজা কোনো চৰকাৰী কাৰ্যসূচী নহয়। কোনো চৰকাৰী বিভাগে অনুষ্ঠিত নকৰে। দুৰ্গা পূজা পূজা সমিতিয়ে পালন কৰিছে। কিন্তু পূজা সমিতিক এটা ভাষা জাপি দিয়া হৈছে। এনেধৰণৰ কথা-বাৰ্তা অসমত নাই। এনেদৰে জাতীয়তাবাদী ৰাজনীতি কৰিছে বিজেপিয়ে। আমাক বিভাজিত কৰিছে। এনে কাণ্ডক আমি গৰিহণা দিছো। ষট পূজা কৰাসকলে হিন্দীত লিখি বেনাৰ লগাব নোৱাৰিব নেকি বুলিও প্ৰশ্ন কৰে দেৱে? এনে বিভাজনমুখী ৰাজনীতি নকৰিবলৈ অসম চৰকাৰক সতৰ্ক কৰি দি বিষয়াই কোন ভাষাত বেনাৰ লগাব তাক লৈ পূজা সমিতিক নিৰ্দেশ দিব পাৰে নেকি বুলিও প্ৰশ্ন কৰে তেওঁ। উল্লেখ্য যে অসমীয়া ভাষাক লৈ পূৰ্বেও সুস্মিতাই এনে মন্তব্য কৰিছিল।

# বংশৰ, দদৰা শিঙিমাৰী শুৱালকুছিত দুৰ্গা পূজাৰ ব্যাপক আয়োজন

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰ** : কামৰূপ জিলাৰ শুৱালকুছি আৰু দাঁতিকাষৰীয়া অঞ্চলত সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজাৰ ব্যাপক আয়োজন কৰা হৈছে। কৃষি গ্ৰাম বংশৰ ত ৩৪ সংখ্যক সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ উদ্যোগত বংশৰ তিনিআলিৰ সদৌ বংশৰ শাৰদীয় পূজা মণ্ডপ প্ৰাংগণত ৫ দিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে । কাৰ্যসূচী অনুসৰি ৯ অক্টোবৰত পুৱা পতাকা উত্তোলন কৰিব দুৰ্গা পূজা সমিতিৰ সভাপতি লোহিত বৈশ্যই , বিয়লি শোভাযাত্ৰা , সন্ধিয়া দেৱীৰ বোধন , আমন্ত্ৰণ আৰু অধিবাস , ৰাজহুৱা বন্তি প্ৰজ্বলন , নিশা , মিনাক্ষী কলিতা আৰু জুৰি দাস কলিতাৰ নাগাৰা নাম । ১০ অক্টোবৰৰ , ৰাতিপুৱা আয়তী সকলৰ পানী তোলন , সপ্তমী বিহিত পূজা , ওজাপালি , আৰতি , নিশা ১০ বজাত শ্ৰীশ্ৰীকৃষ্ণ নাট্য গোষ্ঠী , (বংশৰ আমবাৰী )ৰ দ্বাৰা নাট্যভিনয় । ১১ অক্টোবৰত পুৱা আই সকলৰ পানী তোলন , মহাষ্টমী বিহিত পূজা, আয়তী সকলৰ নাম- প্ৰসংগ, ওজাপালি পৰিৱেশন, সন্ধি পূজা , আৰতি , নিশা ১০ বজাত হৰিহৰ নাট্য গোষ্ঠী , (বংশৰ বেলৰ তল) ৰ দ্বাৰা নাট্য অভিনয় । ১২ অক্টোবৰত মহানৱমী বিহিত পূজা, আই সকলৰ নাম প্ৰসংগ , ওজাপালি পৰিবেশন , ৰাজহুৱা বন্তি প্ৰজ্বালন , আৰতি , নিশা বংশৰ প্ৰগতি সংঘ ও পুথিভঁৰালৰ দ্বাৰা নাট্য অভিনয়। ১৩ অক্টোবৰত দশমী বিহিত পূজা, অপৰাজিতা পূজা আৰু বিয়লি দেৱীৰ প্ৰতিমা লৈ শোভাযাত্ৰা আৰু দেৱীৰ প্ৰতিমা বিসৰ্জন। পূজাৰ সময়ছোৱাত আটাইকেইটা দিনতে আয়তীৰ নাম-প্ৰসংগ, মহাভোগ, আৰতি আৰু ওজাপালি পৰিৱেশন কৰা হ'ব । উদ্যাপন সমিতিৰ সভাপতি লোহিত বৈশ্য আৰু সাধাৰণ সম্পাদকদ্বয় পংকজ বৈশ্য আৰু সুভাষ চন্দ্ৰ বৈশ্যই প্ৰতিটো কাৰ্যসূচীতে ৰাইজৰ সহায়- সহযোগিতা তথা উপস্থিতি কামনা কৰিছে। ইপিনে এশ বছৰ গৰকা কামৰূপৰ দদৰাতো ১০৫ সংখ্যক দদৰা সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা এইবেলি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ৯ অক্টোবৰ পৰা ১৩ অক্টোবৰলৈ ৫ দিনীয়া কাৰ্যসূচীৰে উদযাপন হ'ব বুলি সদৰি কৰা হৈছে।

# বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ কথাৰে আছুক টাৰ্গেট চিত্তৰঞ্জনৰ!

## 'বান্দৰেনো কি বুজিব নাৰিকলৰ মোল'

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** পূৰ্বে প্ৰাক্তন আছু আৰু এতিয়াৰ আছুৰ নেতৃত্বৰ মাজত বহু বিষয়ত তাল-মিল আছিল। কিন্তু এতিয়াৰ আছু আৰু প্ৰাক্তন আছু নেতাসকলৰ মাজত সেই মৰ্যাদাপূৰ্ণ তথা সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছে নে নাই? শেহতীয়াকৈ বহু প্ৰাক্তন আছু নেতাৰ প্ৰতিক্ৰিয়াৰ ফলত এই প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ছয় নং দফাৰ পৰামৰ্শক লৈ অনুষ্ঠিত কৰা বৈঠকৰ পাছতে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহিছে। এইবাৰ আছুৰ প্ৰাক্তন কেন্দ্ৰীয় নেতা চিত্তৰঞ্জন বসুমতাৰীয়ে সামাজিক মাধ্যম যোগে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। চিত্তৰঞ্জন বসুমতাৰীয়ে শেহতীয়াকৈ এই বিষয়ত অত্যুৎসাহী হোৱা কিছু লোকৰ আন্দোলন আৰু ত্যাগৰ ক্ষেত্ৰত বিশেষ অৰিহণা একো নাই বুলি ইতিকিং কৰা পৰিলক্ষিত হৈছে। লগতে বান্দৰেনো কি বুজিব নাৰিকলৰ মোল বুলি কোনো পক্ষক কটাক্ষ কৰে। চিত্তৰঞ্জন বসুমতাৰীয়ে সামাজিক মাধ্যমত দিয়া পোষ্টত কয় "অসম চুক্তিৰ ৬ নং দফা ৰূপায়ন সম্পৰ্কীয় উচ্চ ক্ষমতাসম্পন্ন কমিটী অৰ্থাৎ বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদনৰ পৰামৰ্শ ৰূপায়নৰ বিষয়ত ৰাজ্য চৰকাৰে শেহতীয়াকৈ লোৱা পদক্ষেপৰ আঁৰৰ ৰাজনীতি আৰু নীতিগত জটিলতাৰ বিষয়টো উপলব্ধি নকৰাকৈ কিছু ব্যক্তিয়ে হঠাৎ অত্যুৎসাহী হৈ চৰকাৰৰ পক্ষত যুক্তি আগবঢ়াইছে। তেওঁলোকৰ প্ৰায়ভাগৰে আন্দোলন আৰু ত্যাগৰ ক্ষেত্ৰত বিশেষ অৰিহণা একো নাই। ইয়াক পাগুৰাৰ বাকচ বুলি নাভাবিব। বান্দৰেনো কি বুজিব নাৰিকলৰ মোল! অসমীয়া জাতিয়ে প্ৰাপ্য অধিকাৰ আজুৰি অনাৰ যুঁজ দিব জানে। নাই মোমাইতকৈ কণা মোমাই ভাল বুলি ভুল নকৰিব। এইগৰাকী চিত্তৰঞ্জন বসুমতাৰীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ পৰা পদত্যাগ কৰি অসম জাতীয় পৰিষদ দল গঠনত গুৰুত্বপূৰ্ণ ভূমিক লৈছিল। উল্লেখ্য যে, অসম চৰকাৰে ৪০টা পৰামৰ্শ কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লয় আৰু বাকী ১৫টা কেন্দ্ৰই অকলে কৰিব আৰু ১২টা কেন্দ্ৰ-ৰাজ্য চৰকাৰে একেলগে কাৰ্যকৰী কৰিব বুলি সিদ্ধান্ত লয় চৰকাৰে। তাৰ পাছতে আছুৰ সৈতে প্ৰশমলানি আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে চৰকাৰে হঠাতে অসম চুক্তিৰ ছয় নং দফা অসম চৰকাৰে কাৰ্যকৰী কৰিম বুলি কোৱাত তীব্ৰ সমালোচনা কৰি আজিলৈ কেন্দ্ৰীয় প্ৰতিনিধি হ সচিবে স্বাক্ষৰ নকৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰে সমস্ত প্ৰতিবেদন গৃহীত কৰা নাছিল বুলি দাবী কৰিছিল।




**বটদ্ৰৱাত থানত বিধায়িকাৰ সৈতে সাংসদ গৌৰৱ গগৈৰ**

# 'সমলয়'ৰ ৩৪সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, মৰিগাঁও,২৯ ছেপ্টেম্বৰঃ** ৰাজ্যখনৰ আগশাৰী নাট্য অনুষ্ঠান মৰিগাঁৱৰ 'সমলয়'ৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ৫ অক্টোবৰত উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ক'লা-কুশলীৰ প্ৰতিভা বিকাশৰ কেন্দ্ৰস্থল হিচাপে পৰিচিত মৰিগাঁৱৰ এই নাট্য অনুষ্ঠানটোৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ৫ অক্টোবৰত বহুকেইটা কাৰ্যসূচীৰ লগতে সন্ধিয়া ৭ বজাত মৰিগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দক্ষতা সম্পন্ন অভিনেতা অভিনেত্ৰীৰ অভিনয়েৰে 'হুইছেল' নামৰ সামাজিক নাট মঞ্চস্থ কৰা হ'ব। জনপ্ৰিয় অভিনেতা তথা নাট্যকাৰ পল্লৱ প্লাৱনৰ দ্বাৰা ৰচিত আৰু অভিনেতা তথা পৰিচালক পুলেন কাকতিৰ সুদক্ষ পৰিচালনাত মঞ্চস্থ হবলগীয়া এই নাটক খনৰ বাবে নবীন প্ৰবীন শিল্পী সকল আখৰাত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। সমলয় নাট্য অনুষ্ঠানটোৰ সভাপতি অজিত শৰ্মা, কাৰ্যকৰী সভাপতি সীমান্ত হাজৰিকা আৰু সম্পাদক সুৰজ মিথিয়ে নাটখনি উপভোগ কৰিবলৈ মৰিগাঁও বাসীক আহ্বান জনাইছে।

## হাত-পদুম এৰি হাতীত উঠিল কেইবা শ লোক

# চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত শক্তি প্ৰদৰ্শন অগপৰ পোনাকণ বৰুৱাৰ




**ই-সংবাদ, চাবুৱা, ২৯ ছেপ্টেম্বৰঃ** শাসকীয় বিজেপি দলে অসমত সদস্য ভৰ্তি কৰি অভিলেখ সৃষ্টি কৰিছে। অসমত বিজেপিৰ সদস্য ভৰ্তি ৫১ লাখতকৈ অধিক হোৱাৰ খবৰে চৰ্চা লাভ কৰাৰ সময়তে বিজেপি দলৰ সহযোগী দল অসম গণ পৰিষদ পিছ পৰি থকা নাই। অসম চৰকাৰৰ অংশীদাৰ ৰাজ্যৰ শক্তিশালী আঞ্চলিক দল অসম গণ পৰিষদৰ নেতাসকল দলটোক শক্তিশালী কৰিবলৈ তৎপৰ হৈ পৰিছে। গাঁৱে-ভূঞে অগপৰ নেতাসকল সোমাই পৰিছে। ২০২৬ চনৰ নিৰ্বাচনত আসন ভাগ-বাটোৱাৰাত গুৰুত্ব লাভৰ লক্ষ্য লৈ আঞ্চলিক দলটোৰ ভেটি শক্তিশালী কৰিবলৈ যোগদান কাৰ্যসূচী ত্বৰান্বিত কৰিছে। দলটোৰ উজনি অসমৰ বিধায়ক পোনাকণ বৰুৱাও পিছ পৰি থকা নাই। বিজেপিৰ প্ৰাক্তন ৱাৰ্ড সদস্যসহ তিনিখন গাঁৱৰ ৰাইজক অগপত যোগদান কৰাই শক্তি প্ৰদৰ্শন কৰিছে। অসম আন্দোলনৰ পটভূমিত প্ৰতিষ্ঠা লাভ কৰা আৰু অসমৰ জনগণৰ বিপুল সমৰ্থন লাভ কৰি তিনিবাৰকৈ চৰকাৰ গঠন কৰা অসম গণ পৰিষদ দলত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিকম গাঁও পঞ্চায়তৰ তিনিখন গাঁৱৰ লোকে যোগদান কৰে। ডিকম গাঁও পঞ্চায়তৰ নাদুৱা গ্ৰাণ্ট, ১নং হাতীগাধৈ, ২নং হাতীগাধৈ গাঁৱৰ ৰাইজে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত অগপত যোগদান কৰে।

আজি হাতীগাধৈ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত যোগদান সভাত চনিয়া গগৈৰ গীতেৰে সভাৰ শুভাৰম্ভ হয়। তাৰ পাছতে ওখন গাঁৱৰ ৰাইজে অগপ দলত যোগদান কৰে। বিজেপি নাদুৱা গ্ৰাণ্ট গাঁৱৰ প্ৰাক্তন ৱাৰ্ড সদস্য তথা চাবুৱা মণ্ডলৰ উপ-সভাপতি ৰাতুল গগৈ, বিজেপি ১০৩নং হাতীগাধৈ বুথ সভাপতি ফটিক ঘৰফলীয়া, ১০১নং নাদুৱা জলকীয়া লাইন বুথ সভাপতি হৰিপ্ৰসাদ তাচা, ১০৩নং হাতীগাধৈ বুথ সম্পাদক জয়ন্ত শইকীয়া, নিৰ্মল গগৈ, বুলু গগৈ, মনোৰঞ্জন গগৈ, ৰুবুল কোঁৱৰ, বাবুলাল মুড়া, লোকাচ গগৈ, জিতু গগৈ, মনোজ গগৈ, মৃদুল গগৈ (জিতুল), দিপজ্যোতি গগৈ, গোপাল কৰ্মকাৰ, বাবুল গগৈ, দিব্যলতা শইকীয়া, ক্ষীৰোদ চেতিয়া, হিৰুজ গোঁহাই, বুল শইকীয়া, দিগন্ত শইকীয়া, সুমিত গগৈ, বিনোদ গগৈ, অমিয় গগৈ, মজিন গগৈ, বিজয় বৈঞ্চৱ, গোবিন্দ শইকীয়া, ৰুবুল গগৈ, অনুপ ঘৰফলীয়া, তুৰন ঘৰফলীয়া, মনোজ বাৰলাৰ লগতে গাঁওকেইখনৰ ৰাইজে অগপত যোগদান কৰে। যোগদান কাৰ্যসূচীত অগপৰ চাবুৱা-লাহোৱাল সমষ্টিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, সম্পাদক নিতুল কুমাৰ শইকীয়া, কাৰ্যকৰী সভাপতি নিপুল কোঁৱৰ, অগপ মহিলা পৰিষদৰ সভানেত্ৰী অঞ্জলী গগৈ, জ্যেষ্ঠ নেতা প্ৰভাত চাহু উপস্থিত থাকে।

# ৰত্নপীঠ মহাবিদ্যালয়ত নতুন শিক্ষা নীতিৰ ওপৰত আলোচনা

**ই-সংবাদ, চাপৰ,২৯ ছেপ্টেম্বৰঃ** ধুবুৰী জিলাৰ চাপৰৰ বহলপুৰৰ ঐতিহ্যমণ্ডিত ৰত্নপীঠ মহাবিদ্যালয়ত নতুন শিক্ষা নীতি-২০২০ক লৈ এখন বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়। বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থাৰ অসম প্ৰান্ত আৰু ৰত্নপীঠ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰত্ব আৰু অনলাইন শিক্ষা কেন্দ্ৰৰ সঞ্চালক ড০ দেৱহৰি তালুকদাৰ, বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থাৰ অসমৰ মুৰব্বী অধ্যাপক দুলাল হাজৰিকা, ৰত্নপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নয়ন কলিতা আৰু অধ্যাপক দ্বীপেন কুমাৰ দাস উপস্থিত থাকে। ড০ দেৱহৰি তালুকদাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল কি ধৰণৰ সুবিধা লাভ কৰিব তাকে লৈ আলোকপাত কৰা পৰিলক্ষিত হয়। অধ্যাপক দুলাল হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষা নীতিৰ ওপৰত আহিব লগা শিক্ষা ব্যৱস্থা তথা ছাত্ৰ-ছাত্ৰীসকলে নতুন শিক্ষা নীতিক কি ধৰণে গ্ৰহণ কৰিব লাগিব আদিৰ ওপৰত আলোকপাত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰত্নপীঠ মহাবিদ্যালয়ৰ অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী, প্ৰবক্তাসকল উপস্থিত থাকে।

# প্ৰাক্তন আছু ছাত্ৰ নেতা-অগপ নেতা সুনীল দাসৰ দেহাৱসান



**ই-সংবাদ, বেবেজীয়া, ২৯ ছেপ্টেম্বৰঃ** নগাঁও জিলাৰ দক্ষিণপাটৰ নিবাসী বিশিষ্ট সমাজকৰ্মী প্ৰাক্তন ছাত্ৰ নেতা সুনীল দাসৰ দেওঁবাৰে পুৱাৰ ভাগত নিজা বাসভৱনত দেহাৱসান ঘটে। বৃহত্তৰ দক্ষিণপাট অঞ্চলৰ সমাজৰ উন্নয়নত অগ্ৰণী ভূমিকা পালন কৰি অহা দাসে দক্ষিণপাট শাখা ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ লগতে সদৌ নগাঁও জিলা ছাত্ৰ সন্থাকো প্ৰতিনিধিত্ব কৰিছিল। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই সামাজিক ক্ষেত্ৰখনৰ লগত জড়িত হৈ ১৯৮৩ চনত দক্ষিণ-পশ্চিম আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সভাপতিৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। অসম গণ পৰিষদ দলৰ সৈতে সংপৃক্ত হৈ প্ৰতিষ্ঠাকালৰে পৰা দক্ষিণপাট আঞ্চলিক অগপৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ উপৰিও নগাঁও জিলা যুৱ পৰিষদৰ গুৰু দায়িত্বও পালন কৰিছিল। অসম সাহিত্য সভাৰ লগতো জড়িত থকা দাস ২০০৭ বৰ্ষত দক্ষিণপাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ মধ্যকালীন অধিবেশনৰ শোভাযাত্ৰা উপ-সমিতিৰ দায়িত্বত আছিল। সৎ, অমায়িক আৰু কৰ্মোদ্যমী দাস দক্ষিণপাট অঞ্চলৰ প্ৰায়বোৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত থাকি সেৱা আগবঢ়াই আহিছিল। সৰু-ডাঙৰ সকলোৰে লগত সুসম্পৰ্ক বৰ্তাই ৰখা সৰ্বজনপ্ৰিয় ব্যক্তি দাসৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰাৰ বিপৰীতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰসহিতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।




বেছিমাৰীত একেটা ফ্ৰেমত কংগ্ৰেছৰ দুই সাংসদ আৰু তিনি বিধায়ক

# শিল্পী টুকেশ্বৰ সেনাপতিক স্মৰণ

**ই-সংবাদ, লাহৰীঘাট ২৯ ছেপ্টেম্বৰঃ** মধ্য অসমৰ সাংস্কৃতিক জগতৰ ভোটাতৰা, গীতিকাৰ, সুৰকাৰ, গায়ক, নৃত্যবিদ, শিল্পী টুকেশ্বৰ সেনাপতিক আজি ৰাইজে স্মৰণ কৰে। বাৰপূজীয়াৰ ৰাজহুৱা ভৰনত টুল টুল ডেকাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভা উদ্বোধন কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। স্মৃতিচাৰণ সভাত বিভিন্নজনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে টুকেশ্বৰ সেনাপতিক। শিল্পীগৰাকীৰ স্মৃতিত ৰূপান্তৰ সেনাপতিৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'সুন্দৰৰ পূজাৰী' নামৰ স্মৃতিগ্ৰন্থ চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল চন্দ্ৰ নাথে উন্মোচন কৰে।

## বেছামাৰীত এম্বুলেন্স সেৱা মুকলি কৰি গৰজি উঠিল গৌৰৱ গগৈ

# বিজেপিয়ে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পক লৈ অপ্ৰচাৰ চলাইছে

**ই-সংবাদ, লাহৰীঘাট, ২৯ ছেপ্তেম্বৰঃ** কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা মল্লিকাজ্জুন খাৰ্গেৰ পুত্ৰ প্ৰিয়াংক খাৰ্গে জাগীৰোডত স্থাপন হোৱা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বিৰোধিতা কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সাংসদ গৌৰৱ গগৈৰ লগতে প্ৰদ্যুৎ বৰদলৈয়ে। সাংসদ গৌৰৱ গগৈয়ে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ক্ষেত্ৰত বিজেপি চৰকাৰে অপপ্ৰচাৰ চলাইছে বুলি মন্তব্য প্ৰকাশ কৰছ। গুজৰাটত চাৰিটা, অসমত যদি এটা হ'ব পাৰে তেন্তে কৰ্ণাটকত কিয় হ'ব নোৱাৰে বুলি প্ৰশ্ন কৰে গগৈয়ে? বিজেপিৰ শাসনত থকা ৰাজ্যবোৰত এই সুবিধাসমূহ লাভ কৰা বিপৰীতে কংগ্ৰেছৰ শাসনত থকা ৰাজ্যসমূহে সুবিধাৰ পৰা বঞ্চিত হৈছে। এই মন্তব্য সাংসদ গৌৰৱ গগৈৰ। গৌৰৱ গগৈয়ে আৰু কয় মুখ্যমন্ত্ৰীয়ে এতিয়া মিঞা শব্দ লৈ ৰাজনীতি কৰি আহিছে। প্ৰথমে এআইইউডিএফ দলে মিঞা ৰাজনীতি আৰম্ভ কৰিছিল। এতিয়া এআইইউডিএফ দলৰ পৰা মুখ্যমন্ত্ৰীয়ে লৈ গল মিঞা শব্দৰ ৰাজনীতি। যোৱা লোকসভাৰ নিৰ্বাচনৰ পাছত আৰু আগন্তুক বিধানসভা নিৰ্বাচনৰ আগে আগে মিঞা শব্দৰ ৰাজনীতি কৰা মুখ্যমন্ত্ৰীয়ে ধ্বংস হোৱা এআইইউডিএফ দলক পুনৰ কেনেকৈ উঠাব পাৰি তাৰে চিন্তা কৰি আছে। আজি ধিঙৰ বেচামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সাংসদ গৌৰৱ গগৈৰ পূৰ্বে নিৰ্ধাৰিত সাংসদ পুঁজিৰে যোগান ধৰা এম্বুলেন্স সেৱা চিকিৎসা কেন্দ্ৰত চমজাই দি আয়োজন কৰা মুকলি অনুষ্ঠানত ভাষণ প্ৰদান কৰে গৌৰৱ



গগৈয়ে। সভাত নগাওঁ লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়েও বিজেপি চৰকাৰৰ বৈষম্যমুলক নীতি গ্ৰহণ কৰা বুলি সাংবাদিকৰ আগত মন্তব্য প্ৰকাশ কৰাৰ লগতে ভাষণ প্ৰদান কৰে। সভাত বিধায়ক নুৰুল হুদা, আচিফ মহম্মদ নাজাৰ, বিধায়িকা শিৱামুণি বৰাই ভাষণ প্ৰদান কৰে। উল্লেখ্য যে, কথা দি কথা ৰাখিলে সাংসদ গৌৰৱ গগৈয়ে। বৰ্তমান যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে দেওবাৰে নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত ধিং সমষ্টিৰ বেছামাৰীত এম্বুলেন্স সেৱাৰ শুভ উদ্বোধন কৰে। ধিং সমষ্টিৰ বেছামাৰী ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত পূৰ্ব নিৰ্ধাৰিত গৌৰৱ গগৈৰ সাংসদ পুঁজিৰ এই এম্বুলেন্স সেৱাৰ আজি শুভ উদ্বোধন কৰাৰ পাছত বেছামাৰীৰ দৰে ভিতৰুৱা অঞ্চলবাসীৰ দীৰ্ঘদিনীয়া এটা সমস্যা সমাধান হোৱা পৰিলক্ষিত হয়। বেছামাৰীবাসীৰ এই এম্বুলেন্স সেৱাৰ অভাৱ অনুভৱ কৰি গৌৰৱ গগৈয়ে তেতিয়াই বেছামাৰী ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰটোত এখন এম্বুলেন্স সেৱা প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰিছিল। দেওবাৰে এম্বুলেন্স সেৱাৰ শুভ উদ্বোধন কৰি গৌৰৱ গগৈয়ে অত্যন্ত সুখী অনুভৱ কৰে। ধিং সমষ্টিবাসীৰ অতি মৰমীয়াল আৰু বিশ্বাসী তথা নাতি বুলি পৰিচিত গৌৰৱ গগৈক দেওবাৰে বেছামাৰীবাসীয়ে বিপুল ভাৱে আদৰণি জনায়। অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক হাইদৰ আলীৰ উদ্যোগত অনুষ্ঠিত হোৱা সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, মৈৰাবাৰী ব্লক কংগ্ৰেছৰ সভাপতি ফাইজুৰ ৰহমান, ৰেহেন চৌধুৰী উপস্থিত থাকে।

## চলিছে ব্যাপক প্ৰস্তুতি

# ১৫ ডিচেম্বৰৰ পৰা নগাঁও গ্ৰন্থমেলা


**ই-সংবাদ, বেবেজীয়া, ২৯ ছেপ্টেম্বৰঃ** অহা ১৫ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ নগাঁও গ্ৰন্থ মেলা-২০২৪ অনুষ্ঠিত হ'ব। অগ্ৰণী সংস্কৃতিক গোষ্ঠী 'কল্লোল'ৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। নগাঁও গ্ৰন্থ মেলাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাৰ সভাপতিত্বত কল্লোল প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত নগাঁও গ্ৰন্থ মেলা-২০২২ৰ প্ৰতিবেদন আৰু আয় ব্যয়ৰ ৰাজহুৱা হিচাপ দাখিল কৰা হয়। গ্ৰন্থমেলা-২০২৪ৰ বাবে ৰূপক শৰ্মাক সভাপতি, কল্লোলৰ সভাপতি লোহিত কলিতা আৰু নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহক কাৰ্যকৰী সভাপতি তথা নৌচাদ আখতাৰ হাজৰিকা আৰু শিৱানন্দ কাকতিক সাধাৰণ সম্পাদক হিচাপে লৈ এঘাৰ জনীয়া কৰ্ণধাৰ সমিতি গঠন কৰা হয়। সভাপতিৰ আসনৰ পৰা ৰূপক শৰ্মাই গ্ৰন্থ মেলা ঐতিহ্যৰ ধাৰাবাহিকতাত নগাঁও গ্ৰন্থ মেলাৰ গৌৰবময় পৰম্পৰাক অধিক বিকশিত কৰি নগাঁও গ্ৰন্থ মেলা-২৪ ক সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে সকলোলৈকে আহ্বান জনায়।

# জনপ্ৰিয় ক্ৰিকেটাৰৰ পথ দুৰ্ঘটনা

**ই-সংবাদ, ২৯ ছেপ্টেম্বৰঃ** এক ভয়ংকৰ পথ দুৰ্ঘটনাৰ সন্মুখীন হ'ল ভাৰতীয় ক্ৰিকেটাৰ মুছিৰ খান। আজমগড়ৰ পৰা লক্ষ্ণৌলৈ যোৱাৰ পথতে দুৰ্ঘটনাত পতিত হয় মুছিৰ খান। দুৰ্ঘটনাৰ সময়ত তেওঁৰ সৈতে আছিল তেওঁৰ পিতৃ নৌছাদ খানো। খবৰ অনুসৰি শুকুৰবাৰে আজমগড়ৰ পৰা লক্ষ্ণৌলৈ যোৱাৰ পথত মুছিৰ খানৰ বাহনে পথৰ কাষৰ এটা ডিভাইডাৰত খুন্দা মাৰে। এই দুৰ্ঘটনাত মুছিৰ আৰু তেওঁৰ পিতৃ দুয়ো অতি আহত হৈছে।

# লাহৰীঘাটত মৃত্যুৰে যুঁজিছে দুৰ্ঘটনাত পতিত শ্ৰমিক

**ই-সংবাদ, লাহৰীঘাট, ২৯ ছেপ্টেম্বৰঃ** ভয়ংকৰ দুৰ্ঘটনাত পতিত হৈ মৃত্যুৰে যুঁজিছে দৰিদ্ৰ ঘৰৰ যুৱক। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ দুই চৰকাৰী শিক্ষক ভাতৃয়ে দুৰ্ঘটনাগ্ৰস্ত অসহায় শ্ৰমিকজনক প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপিত হৈছে। দুই শিক্ষক ভাতৃৰ বিৰুদ্ধে লাহৰীঘাট থানাত যুৱকজনে এজাহাৰো দাখিল কৰিছে। অভিযোগ মতে, চিকিৎসাৰ খৰচ দিয়াৰ প্ৰতিশ্ৰুতি দি নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰি অন্তৰ্ধান হৈছিল দুই শিক্ষক ভাতৃ। পিছত ঘৰ ভেটি মাটি বিক্ৰী কৰি চিকিৎসালয়ৰ চিকিৎসাৰ ধন পৰিশোধ কৰিছিল পৰিয়ালে। শ্ৰমিক ইজাজুল ইছলামক চিকিৎসা সম্পূৰ্ণ নোহোৱাকৈ ঘৰলৈ ঘূৰাই আনিব লগা হৈছে বুলি আহত যুৱ শ্ৰমিকজনৰ পিতৃ-মাতৃ আৰু আত্মীয়ই। লাহৰীঘাটৰ বৰবড়ীৰ গাঁৱৰ জনৈক ৰহমান আৰু জনৈক আলী উপাধিৰ শিক্ষক ভাতৃয়ে একে গাঁৱৰে ইজাজুল ইছলাম আৰু জিয়াবুৰ ৰহমান নামৰ দুই যুৱ শ্ৰমিকক যোৱা ১০ ছেপ্টেম্বৰত তেওঁলোকৰ ঘৰৰ গছ কটা কামত নিয়োগ কৰিছিল। সিদিনা গছ কাটি থকাৰ অৱস্থাত দুৰ্ভাগ্যজনক ভাবে বিদ্যুৎ পৰিবাহী তাঁৰত লাগি শ্ৰমিক ইজাজুল ইছলাম ওখ গছৰ পৰা মাটিত সৰি পৰে আৰু গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হয়। আঘাত প্ৰাপ্ত শ্ৰমিকজনক ততাতৈয়াকৈ লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰি প্ৰাথমিক চিকিৎসা কৰাৰ পিছত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত উন্নত চিকিৎসাৰ বাবে ভৰ্তি কৰে। দুৰ্ভগীয়া শ্ৰমিকজনৰ পৰিয়ালৰ মতে, শিক্ষক ভাতৃয়ে চিকিৎসাৰ খৰচ বহন কৰাৰ কথা দিছিল আৰু বিষয়টো সংবাদ মাধ্যম আৰু পুলিচক জনোৱাৰ পৰা বাৰণ কৰিছিল। কথা অনুসৰি আহত পৰিয়ালৰ লোকে কথা ৰাখে যদিও চিকিৎসাৰ বিল পৰিশোধৰ সময়ত শিক্ষক ভাতৃদ্বয়ে ওলোটা খৰ মাৰে। ছাত্ৰ-ছাত্ৰীক নীতি শিক্ষা দিয়া শিক্ষক ভাতৃদ্বয়ে শেহতীয়াভাৱে নিজৰ স্থিতিৰ পৰা বিচলিত হোৱাত উপায়ন্ত শ্ৰমিকজনৰ পৰিলে লাহৰীঘাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ন্যায় বিচাৰি লাহৰীঘাট আৰক্ষীৰ কাষ চপাত ওলোটাই আৰক্ষীয়ে অসহায় পৰিয়ালটোক কৰ্কথনাৰে খেদি পঠিয়াই দিয়াৰ অভিযোগ উঠিছে। আৰক্ষীৰ পৰা কোনো সঁহাৰি নাপাই অৱশেষত সাংবাদ মাধ্যমৰ কাষ চাপে দুৰ্ভগীয়া শ্ৰমিকজনৰ পৰিয়াল। দুৰ্ভগীয়া শ্ৰমিকজনে উপযুক্ত চিকিৎসাৰ অভাৱত ঘৰৰ বিছনাত ছটফটাই থাকিব লগা হৈছে। পৰিয়ালটোয়ে ন্যায় বিচৰাৰ লগতে উপযুক্ত চিকিৎসাৰ জৰিয়তে শ্ৰমিকজনক সুস্থ কৰি তুলিবলৈ চৰকাৰ, প্ৰশাসনক আহ্বান জনাইছে।



পকা ধানৰ মাজে মাজে ডাঙৰ ডাঙৰ আলি! এয়া চীনৰ এখন পথাৰৰ দৃশ্য

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)